بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**হজৰত আবু ছালমা (ৰাঃ)ৰ অভিযান, হজৰত আব্দুল্লাহ বিন আনিছ (ৰাঃ)ৰ অভিযান আৰু ৰজিয়াৰ অভিযানৰ আলোকত আঁহজৰত (ছাঃ)ৰ জীৱন চৰিত্ৰৰ ঈমান বৰ্দ্ধক বৰ্ণনা আৰু আছিৰাণে ৰাহে মাউলা আৰু পেলেষ্টাইনৰ নীপিড়ীত জনতাৰ বাবে দোৱাৰ তেহেৰিক**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১০ মে ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় আজি আঁহজৰত (ছাঃ)ৰ যুগৰ কিছুমান ছৰিয়া সম্পৰ্কে বৰ্ণনা কৰা হ'ব। ছৰিয়া সেই বিলাক অভিযানক কোৱা হয় য'ত আঁহজৰত (ছাঃ)য়ে নিজে যোগদান কৰা নাছিল। এই সম্পৰ্কে প্ৰথমে  কবিলা বনু আছিদৰ চয়তানি আৰু আবু ছালমা (ৰাঃ)ৰ অভিযান সম্পৰ্কে আলোচনা কৰা হ'ব। এই ছৰিয়া বিলাকত আঁহজৰত (ছাঃ)য়ে বেলেগক দায়িত্বৰ ভাৰ দি পঠাই দিয়া কৰিছিল। এই বিলাকৰ মাজতও আঁহজৰত (ছাঃ)ৰ জীৱনৰ কিছু কথা তেখেত (ছাঃ)ৰ প্ৰজ্ঞা, বুদ্ধি, মুছলমান সকলৰ আত্মৰক্ষাৰ কিছুমান পদ্ধতি আৰু শত্ৰু সকলৰ প্ৰতি সহানুভূতিৰ চানেকি আৰু তেখেত (ছাঃ)ৰ জীৱনাদৰ্শ সম্পৰ্কিত আৰু যুক্ত হৈ আছে।

চাৰি হিজৰীৰ মহৰম মাহত আঁহজৰত (ছাঃ)ৰ পেহীত ভাই আৰু হজৰত  হামজা (ৰাঃ)ৰ মাকৰ গাখীৰ পিয়া ভাই হজৰত আবু ছালমা বিন আব্দুল আছিদ মখজৰমি (ৰাঃ)ৰ নেতৃত্বত এই অভিযান প্ৰেৰণ কৰা হৈছিল। এখেত (ৰাঃ)য়ে উহুদ আৰু বদৰৰ যুদ্ধতও অংশ গ্ৰহণ কৰিছিল। এই অভিযানৰ প্ৰাকক্ষণত ঘটা কিছুমান ঘটনা এনেকুৱা আছিল যে উহুদৰ যুদ্ধৰ পৰিস্থিতি আৰু সংঘটিত হোৱা ঘটনা বিলাকক কেন্দ্ৰ কৰি মদিনাত বসবাস কৰা মুনাফিক সকল আৰু ইহুদী সকলৰ লগতে মদিনাৰ চাৰিও কাষে কবিলা বিলাকে মুছলমান সকলক একেবাৰে নিঃচিহ্ন কৰাৰ ষড়যন্ত্ৰ আৰম্ভ কৰে। ইয়াৰ পিছতেই সৰ্বপ্ৰথমে কবিলা বনু আছিদ বিন

খুজায়মা মুছলমান সকলৰ ওপৰত আক্ৰমণ চলোৱাৰ জোযা কৰে। এই কবিলাৰ চৰদাৰ তালহা বিন খুয়েলিদ আৰু তাৰ ভাই ছলমাই মিলি এটা সৈন্যদল গঠন কৰে। বনু আছিদৰ এজন বিজ্ঞলোক কয়েছ বিন হাৰিছ বিন উমেৰে নিজৰ সম্প্ৰদায়ৰ লোকক মুছলমান সকলৰ ওপৰত আক্ৰমণ নকৰিবলৈ উপদেশ দিছিল। তেতিয়া তেখেত (ছাঃ) য়ে সিদ্ধান্ত লৈছিল যে সিহঁতে আক্ৰমণ চলোৱাৰ আগতেই মুছলমান সকলে নিজৰ নিৰাপত্তা অটুট ৰাখিবলৈ বনু আছিদৰ অঞ্চলত গৈ আক্ৰমণ চলাব। গতিকে আঁহজৰত (ছাঃ)য়ে ১৫০ জন চাহাবাৰে গঠিত এটা সৈন্যদল বনু আছিদৰ কবিলাক প্ৰতিৰোধ কৰিবলৈ পঠাই দিছিল।

মুছলমান বাহিনীয়ে নিজৰ এই অভিযানৰ কথা গোপনে ৰাখি চাৰিদিনৰ বাট অতিক্ৰম কৰি কাতান পাহাৰৰ ওচৰেদি বৈ যোৱা বনু আছিদ বিন খোজামাৰ এটা নিজৰাৰ পাৰত গৈ উপস্থিত হয় আৰু সেই স্থান পোৱাৰ লগে লগেই মুছলমান সকলে বনু আছিদৰ জীৱ জন্তু বিলাক আটক কৰি লয় আৰু সিহঁতৰ চৰণীয়া পথাৰৰ পৰা তিনিজন লোকক গ্ৰেপ্তাৰ কৰে আৰু বাকী কেইজন লোক পলাই যাবলৈ সক্ষম হয়। সেই পলাই যোৱা লোক কেইজনে গৈ বনু আছিদক এই আক্ৰমণ সম্পৰ্কে বহুত বঢ়াই বিলাই বৰ্ণনা দিয়ে, যাৰ ফলত বনু আছিদৰ লোক সকলে ভয়তে ইফালে সিফালে পলাই গৈছিল। হজৰত আবু ছালমা (ৰাঃ)য়ে সিহঁতক বিচাৰি মানুহ পঠিয়াই দিয়ে যদিও কাকো বিচাৰি নাপায়। এখেত (ৰাঃ)য়ে গোটেই খিনি গনিমতৰ মালৰ পঞ্চমাংশ আঁহজৰত (ছাঃ)ৰ বাবে পৃথক কৰি বাকী খিনি চাহাবা সকলৰ মাজত বিতৰণ কৰি দিয়ে। হজৰত আবু ছালমা (ৰাঃ)ৰ মৃত্যু সম্পৰ্কে লিখা আছে যে তেখেতে যেতিয়া মদিনালৈ ওভতি আহিছিল তেতিয়া উহুদৰ যুদ্ধত পোৱা আঘাত, জখম সতেজ হৈ পৰে আৰু তেখেত (ৰাঃ) নৰীয়া পাটিত পৰি যায় আৰু সেই জমাদিউল আখিৰ মাহৰ তিনি তাৰিখত মৃত্যু বৰণ কৰে।

বনু আছিদ কবিলাৰ চৰদাৰ তালহা বিন খালিদ যাৰ বিষয়ে আগতে উল্লেখ কৰা হৈছে মুছলমান হৈ যোৱাৰ পিছত আকৌ মুৰতদ হয় আৰু নবুয়তৰ মিছা দাবীদাৰ হৈ আন এটা বিবাদৰ সুত্ৰপাত ঘটায়। কিন্তু চাৰিও ফালেৰে পৰাজিত হৈ আৰব এৰি গুচি যায়। আকৌ কিছুদিন পিছত আহি ইছলামী সৈন্যদলত যোগদান কৰি নিজৰ বীৰত্ব প্ৰদৰ্শন কৰে আৰু ২১ হিজৰীত সংঘটিত হোৱা এখন যুদ্ধত শ্বাহাদত বৰণ কৰে। আল্লাহ তা’লা তাক ভাল ফল দান কৰিবলৈ আছিল কাৰণে ইছলাম গ্ৰহণ কৰাৰ তৌফিক লাভ কৰিছিল।

ইয়াৰ পিছত হজৰত আব্দুল্লাহ বিন আনিছ (ৰাঃ)ৰ ছৰিয়া সম্পৰ্কে বৰ্ণনা কৰিবলৈ আছে। হজৰত আব্দুল্লাহ (ৰাঃ) বয়াতে উকবা ছানিয়া, বদৰ, উহুদ আৰু অন্যান্য যুদ্ধতও চামিল হৈছিল। এখেত (ৰাঃ)য়ে ছিৰিয়াত ৫৪ হিজৰী আৰু কিছুমান ৰিৱায়ত মতে ৭৪ হিজৰীত মৃত্যু বৰণ কৰিছিল। হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে চাৰি হিজৰীত এই অভিযান সম্পৰ্কে বৰ্ণনা কৰোঁতে লিখিছে যে কুৰাইছ সকলৰ উত্তপ্ত বিদ্ৰোহ আৰু উহুদত মুছলমান সকলৰ সাময়িক পৰাজয়ত এটা বিপদজ্জনক পৰিস্থিতিৰ সৃষ্টি কৰি ৰাখিছিল। গতিকে সেই দিনবোৰত অৰ্থাৎ যেতিয়া বনু আছিদে মদিনা আক্ৰমণৰ প্ৰস্তুতি চলাইছিল তেতিয়া আঁহজৰত (ছাঃ)য়ে খবৰ পাইছিল যে কবিলা বনু লিহানৰ লোকে নিজৰ চৰদাৰ ছুফিয়ান বিন খালিদৰ নেতৃত্বত নিজৰ অঞ্চল উৰণাত এটা ডাঙৰ বাহিনী আনি জমা কৰিছিল যি ঠাইখন প্ৰায় মক্কাৰ ওচৰতে আছিল। এওঁলোকে মদিনা আক্ৰমণৰ সিদ্ধান্ত লৈছিল।

আঁহজৰত (ছাঃ) বৰ পাকৈত সুযোগ সন্ধানী আৰু বিভিন্ন আৰব কবিলাৰ অৱস্থা আৰু সিহঁতৰ চৰদাৰ বিলাকৰ শক্তি আৰু প্ৰভুত্ব সম্পৰ্কে জ্ঞাত আছিল। আক্ৰমণৰ খবৰ পাওঁতেই বুজি পাইছিল যে এই বিলাক

সকলো ষড়যন্ত্র আৰু চয়তানী আৰু বিবাদৰ উৎপত্তি কৰিছে বনু লিহানৰ চৰদাৰ ছুফিয়ান বিন খালিদ আৰু যদি এওঁ মাজলৈ আগবাঢ়ি নাহিল হয় তেন্তে বনু লিহানৰ লোকে মদিনা আক্ৰমণ কৰাৰ সাহস নাপালেহেঁতেন। আঁহজৰত (ছাঃ)য়ে এয়াও জানিছিল যে ছুফিয়ানৰ বাহিৰে এই কবিলাত আৰু কোনো প্ৰভাৱশালী লোক নাই যে তেওঁ কবিলাৰ নেতৃত্ব কৰিব। গতিকে তেখেত (ছাঃ)য়ে সিদ্ধান্ত লৈছিল যে সৈন্য বাহনী পঠাই দৰিদ্ৰ লোক সকলক কষ্টত পেলোৱাতকৈ আৰু দেশত তেজৰ নৈ বৈ যোৱাতকৈ কোনো এজন দক্ষ আৰু নিপুণ ব্যক্তিয়ে অকলে গৈ সুবিধা বুজি এই বিবাদৰ মূল ছফিয়ান বিন খালিদক হত্যা কৰি পেলোৱাই ভাল হ'ব। গতিকে পৰিকল্পনা অনুযায়ী তেখেত (ছাঃ)য়ে আব্দুল্লাহ বিন আনিছ আনছাৰি (ৰাঃ)ক পঠাই দিছিল। হজৰত আব্দুল্লাহ বিন আনিছ আনছাৰী (ৰাঃ)য়ে বৰ সতকৰ্তাৰ সৈতে বনু লিহানৰ কেম্পত সোমাই যায় আৰু দেখিবলৈ পায় যে সঁচাকৈয়ে তেওঁলোকে মদিনা আক্ৰমণৰ প্ৰস্তুতি চলাই আছে। তেখেত (ৰাঃ)য়ে ৰাতিৰ বেলিকা সুযোগ পোৱাৰ লগে লগে ছুফিয়ানক হত্যা কৰে। বনু লিহানৰ লোকে ঘটনা সম্পৰ্কে অৱগত হোৱাৰ লগে লগে তেওঁলোকে আব্দুল্লাহ (ৰাঃ)ৰ পিছানুসৰণ কৰে, যদিও তেখেত (ৰাঃ)ক ধৰিব নোৱাৰে আৰু তেখেত (ৰাঃ)য়ে মদিনা আহি পায়।

হজৰত আব্দুল্লাহ (ৰাঃ)য়ে যেতিয়া আঁহজৰত (ছাঃ)ৰ সন্মুখত আহি উপস্থিত হৈছিল তেতিয়া তেখেত (ছাঃ)য়ে আব্দুল্লাহ (ৰাঃ)ৰ চেহেৰা চাই গম পাইছিল যে তেখেতে কাম সম্পূৰ্ণ কৰি আহিছে। গতিকে নবী কৰিম (ছাঃ)য়ে আব্দুল্লাহ (ৰাঃ)ক দেখিয়ে কৈছিল **আফলাহাল ওয়াজহু** চেহেৰা তোমাৰ যেন বিজয়ী দেখা যায়। তেতিয়া আব্দুল্লাহ (ৰাঃ)য়ে উত্তৰ দিছিল **আফলাহা ওয়াজহুকা হুৱা ৰছুলুল্লাহ** ইয়া ৰছুলুল্লাহ সকলো কৃতকাৰ্যতা আপোনাৰ বাবেহে। সেই সময় ছোৱাত আঁহজৰত (ছাঃ)য়ে নিজৰ লাঠীডাল আব্দুল্লাহ (ৰাঃ)ক উপঢৌকন হিচাপে দিয়ে আৰু কয় যে এই লাঠী জান্নাতত তোমাৰ টিক লগাবলৈ অৰ্থাৎ ভৰ দিবলৈ কাম দিব। হজৰত আব্দুল্লাহ (ৰাঃ)য়ে সেই মোবাৰক লাঠী ডাল বৰ সন্মান আৰু চেনেহৰে নিজৰ ওচৰত ৰাখিছিল আৰু মৃত্যুৰ আগমুহূৰ্তত অচিয়ত কৰিছিল যে লাঠী ডাল যেন তাৰ লগতে দফন কৰি দিয়া হয়, গতিকে তেনেকুৱাই কৰা হৈছিল।

আঁহজৰত (ছাঃ)ৰ এই আনন্দ প্ৰকাশ যদি তেখেতে হজৰত আব্দুল্লাহ (ৰাঃ)ৰ কৃতকাৰ্যতাত কৰিছিল আৰু যি পুৰস্কাৰ আব্দুল্লাহ (ৰাঃ)ক দিছিল তাৰ পৰা বুজা যায় যে তেখেত (ছাঃ)য়ে ছুফিয়ান বিন খালিদৰ ষড়যন্ত্ৰ আৰু কাজিয়াৰ পৰিকল্পনাটো বৰ বিপদজ্জনক বুলি ধাৰণা কৰিছিল; আৰু তাৰ এই হত্যা জনগণৰ শান্তি আৰু ৰহমতৰ কাৰণ বুলি ধৰি লৈছিল। কিন্তু শত্ৰু সকলে তেখেত (ছাঃ)ক দোষাৰোপ কৰে যে (নাউজুবিল্লাহ) তেখেত (ছাঃ) শান্তি বিনষ্টকাৰী লোক আছিল আৰু মানৱ প্ৰাণৰ মূল্য নিদি হত্যা কৰোৱাইছিল। কিন্তু আচলতে আঁহজৰত (ছাঃ)য়ে মানৱ প্ৰাণৰ ইমানেই হিফাজতকাৰী আছিল যে শত্ৰু কবিলাৰ লোকৰ প্ৰাণ বচাবলৈ এনে পৰিকল্পণা হাতত লৈছিল যে এজন লোকক হত্যা কৰা উত্তম যদি তাৰ বিনিময়ত বহু লোকৰ প্ৰাণ ৰক্ষা পায়।

এয়াই আছিল মানৱতাবাদৰ প্ৰণয়ন আৰু সহানুভূতিৰ নিদৰ্শন। আজিৰ বিশ্বত বিশিষ্ট কেইজন লোকক হত্যা কৰাৰ নামত হাজাৰ হাজাৰ নিৰ্দোষ ল'ৰা-ছোৱালী, মহিলা, বৃদ্ধ সকলক হত্যা কৰি আছে আৰু ডাবি মাৰি কয় যে যুদ্ধত এনেকুৱা হৈয়ে থাকে। আঁহজৰত (ছাঃ)য়ে যুদ্ধৰ মুহূৰ্তত সেনানী সকলক নিয়মিত নিৰ্দেশ দিয়া কৰিছিল যে ল'ৰা-ছোৱালী, বৃদ্ধ, মহিলা আৰু ধৰ্মীয় লোক যিসকলে পোনে পোনে যুদ্ধত লিপ্ত

নহয়, তেওঁলোকক হত্যা নকৰিবা। এয়াই হ'ল মহম্মদ (ছাঃ)ৰ জীৱনাদৰ্শ আৰু ইছলামী শিক্ষা। ইয়াৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে ৰাজিয়া অভিযান সম্পৰ্কে বৰ্ণনা কৰোঁতে কয় যে এই অভিযানৰ বৰ্ণনা বহুত দীঘলীয়া হ'ব। গতিকে আজি ইয়াৰ এটা অংশ বৰ্ণনা কৰিম। চাৰি হিজৰীৰ ছফৰ মাহত এই ছৰিয়া (অভিযান) আৰম্ভ হয়। এই ঘটনা ৰাজিয়া নামক ঠাইত সংঘটিত হৈছিল। আমাৰ ৰিছাৰ্জ কৰোঁতা সকলে এই ৰাজিয়া সম্পৰ্কে এটা নোট লিখিছে, যি নোটৰ জৰিয়তে বিভিন্ন লিখক সকলে ৰাজিয়া অভিযানৰ তাৰিখ চাৰি হিজৰীৰ চফৰ মাহ বুলি উল্লেখ কৰিছে আৰু ইয়াৰ বৰ্ণনা এনেদৰে কৰিছে যে হজৰত খাবিৰ (ৰাঃ) আৰু হজৰত জায়েদ (ৰাঃ)ক মক্কাত বিক্ৰি কৰি দিয়া হয়; কিন্তু পৱিত্ৰ মাহ আৰম্ভ হোৱাৰ কাৰণে মক্কাবাসী সকলে এওঁলোক দুজনক বন্দী অৱস্থাত ৰাখিছিল আৰু যেতিয়া এই পৱিত্ৰ মাহ শেষ হৈছিল, এই দুজন চাহাবীক হত্যা কৰিছিল। যদি ৰাজিয়া অভিযানৰ তাৰিখ ৪ হিজৰিৰ চফৰ মাহ বুলি ধৰা হয় তেন্তে এই পৱিত্ৰ মাহৰ উল্লেখ থকাটো, বিধি, সন্মত নহয় আৰু ইতিহাসৰ তাৰিখ অনুযায়ী নহয়।

গতিকে এই বৰ্ণনা বেছি শুদ্ধ যে ৰাজিয়াৰ অভিযান তিনি হিজৰীৰ শ্বোৱাল মাহত সংঘটিত হৈছিল। যিহেতু চাৰি হিজৰীৰ ছফৰ মাহত হজৰত খাবিব (ৰাঃ) আৰু হজৰত জায়েদ (ৰাঃ)ক শ্বহীদ কৰা হৈছিল আৰু যেতিয়া তেওঁলোকৰ শ্বাহাদতৰ খবৰ মদিনা পৌচাইছিল তেতিয়া ৰিৱায়তত এই তাৰিখ লাহে লাহে বেছি লিপিবদ্ধ হ'বলৈ লৈছিল। যিয়েই নহওঁক আল্লাহ তা'লাই ভালদৰে জানে।

এই অভিযান সম্পৰ্কে লিখা আছে যে বনু লিহানৰ চৰদাৰ ছুফিয়ানৰ হত্যাৰ কাৰণে এই কবিলাৰ লোক প্ৰতিশোধ ল'বলৈ দপ-দপাই আছিল আৰু মুছলমান সকলৰ পোতক তুলিবলৈ বিভিন্ন ধৰণে চিন্তা-ভাৱনা কৰি আছিল। গতিকে এটা পৰিকল্পনা বনাই আজল কবিলাৰ লোক আৰু কাৰাহ কবিলাৰ কইজনমান মানুহ নবী কৰিম (ছাঃ)ৰ ওচৰলৈ আহে। তেওঁলোকে আহি কৈছিল যে আমাৰ কবিলাত ইছলামৰ নাম সিঁচৰিত হৈছে, মানুহে জানিব পাৰিছে গতিকে আপুনি কেইজনমান লোকক আমাৰ লগত পঠাই দিয়ক, তেওঁলোকে গৈ দাওয়াতে ইছলামৰ কাম কৰিব। ৰছুলুল্লাহ (ছাঃ)য়ে সেই লোক সকলৰ কথা অনুযায়ী তেওঁলোকৰ লগত কেইজনমান লোকক পঠাই দিছিল। জীৱনীৰ কিতাপ বিলাকৰ বেছি ভাগতেই এই দলটোত ১০ জন চাহাবা থকা বুলি উল্লেখ কৰিছে, কিন্তু নাম কেৱল সাত জনৰহে পোৱা যায়। আঁহজৰত (ছাঃ)য়ে আছিম বিন ছাবিত (ৰাঃ) নাইবা মুৰছদ বিন আবি মুৰছদ (ৰাঃ)ক এই দলটোৰ আমিৰ বনাই দিছিল। ইয়াৰ বাকী অংশ ইনশাল্লাহ আগলৈ বৰ্ণনা কৰা হ'ব।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে দোৱাৰ তেহেৰিক কৰি কয় যে আজি মই আকৌ ইয়ামিনৰ বন্দী সকলৰ বাবে বিশেষ দোৱাৰ আবেদন জনাইছো। বিশেষকৈ সেই মহিলাজনীৰ মুক্তিৰ বাবে যিজনী ইয়ামিনৰ সদৰ লাজনা হয়। তাইক বৰ কষ্টত ৰখা হৈছে, কাৰাগাৰত ৰখা হৈছে, আৰু কেইজনমান আছে যিকসলে তেওঁলোকৰ কথাত মান্তি হোৱা নাই, তেওঁলোককও কাৰা বন্দী বনাই ৰাখিছে। এওঁলোকৰ বাবে বিশেষ দোৱা কৰিব যাতে আল্লাহ তা'লা তেওঁলোকক মুক্তিৰ বাট মুকলি কৰি দিয়ে।

পাকিস্তানত থকা বন্দী সকলৰ মুক্তিৰ বাবেও দোৱা কৰিব, পেলেষ্টাইনৰ বাসিন্দা সকলৰ বাবে দোৱা কৰিব। পৰিস্থিতি অলপ উন্নত হৈ আছে বুলি ধাৰণা হয়। মাজে মাজে আকৌ বেয়া হৈ যায়। ইজৰাইলৰ চৰকাৰে ঢাবি ধমকিৰে কাম চলাই আছে। আল্লাহ তা'লা এওঁলোকক অতি সোনকালে অত্যাচাৰৰ পৰা মুক্তি দিয়ক আৰু মুছলমান সকলক নিজৰ অধিকাৰ সাব্যস্ত কৰিবলৈ সৌভাগ্য দান কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 10 MAY 2024**

## BOOK POST (PRINTED MATTER)

TO,

.....................................................................................................................................

.....................................................................................................................................

.....................................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844**

অনুবাদক : শ্বাহজাহান আলি চাহাব মুৱাল্লিম ছিলছিলা